বিষয়া, ডা-ডাঙৰীয়াসকল বিতুষ্ট হৈ পৰিছিল। সেই সুযোগতে ভিনিহিয়েক বন্দৰ বৰফুকনে ৰাজ বিষয়াসকলৰ লগত একগোট হৈ পৰামৰ্শ কৰি কলিয়াবৰতে গদাপাণি কোঁৱৰক ৰজা পাতিলে আৰু আঁঠু লৈ গদাপাণি কোঁৱৰক সেৱা জনালে। অনতিপলমে গদাপাণি কোঁৱৰে বিষয়াসকলক লগত লৈ গড়গাঁৱলৈ আহি ৰাজধানী দখল কৰি ল'ৰাৰজাক বন্দী কৰি থ'লে।

১৬৮১ খ্ৰিষ্টাব্দত গদাপাণি কোঁৱৰে চুপাতফা গদাধৰ সিংহ নাম লৈ আহোমৰ ৰাজ সিংহাসন অধিকাৰ কৰিলে।

ৰজা হৈয়ে স্বৰ্গদেউ গদাধৰ সিংহই তেওঁক বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ কাৰণে শলগুৰিত প্ৰায় ৫০ বিঘা মাটিৰ এখন বাৰী, পশ্চিম দিশত এটা পুখুৰী খন্দাই দি আঘোণী বাইক সংস্থাপিত কৰে। আঘোণী বাইৰ সজীৱ স্মৃতি শলগুৰি আলিৰ কাষত নজহা-নপমাকৈ আজিও বিদ্যমান। সেইদৰে স্বৰ্গদেউ গদাধৰ সিংহই ভাদৈ ৰমণীক তিপামৰ পৰা নাতিদূৰত প্ৰায় ষাঠি বিঘা মাটি আৰু ইয়াৰ ভিতৰত এটি পুখুৰী খন্দাই চাৰিওফালে গড় বন্ধাই সংস্থাপন দিয়ে। ভাদৈ ৰমণীৰ স্মৃতি বিজড়িত স্থানৰ কাষতে বৰ্তমানে পাঁচটা আলিৰে সংযোগ ঘটোৱা ভাদৈয়ে কইনা খোজত আধুনিক চহৰলৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে।

এতিয়া কথা হ'ল, কেইবাগৰাকী বুৰঞ্জীবিদে ভিন্ন স্থানত ৰহদৈ ৰমণীৰ নামত ৰহদৈ আলি, পুখুৰী আৰু দৌল নিৰ্মাণ কৰা হৈছিল বুলি উল্লেখ কৰিছে যদিও আন দুগৰাকী ৰমণীৰ (আঘোণী বাই, ভাদৈ) দৰে ক'তো ইয়াৰ স্মৃতিচিহ্ন দেখা পাবলৈ নাই। সঁচাকৈ স্বৰ্গদেউ গদাধৰ সিংহই ৰহদৈ ৰমণীৰ নামত আলি, পুখুৰী আৰু দৌল নিৰ্মাণ কৰি দিছিলনে? এই প্ৰশ্ন বুৰঞ্জীবিদসকললৈ এৰিলোঁ।

যি কি নহওক, বুৰঞ্জীবিদ, সাহিত্যিক পণ্ডিত ড° লীলা গগৈ আৰু বুৰঞ্জীবিদ নৰেন্দ্ৰনাথ চেতিয়াদেৱে কোৱাৰ দৰে ৰহদৈ ৰমণী যদি সাপেখাতী ৰহণ পথাৰৰ জীয়াৰী হয়, তেন্তে জানকী বৰগোহাঞিৰ সুৰতে সুৰ মিলাই ক'ব খোজোঁ—আহোম ৰাজত্ব কালৰ ৰাজমন্ত্ৰীসকলৰ বংশধৰ বুঢ়াগোহাঞি, বৰগোহাঞি, গগৈ, বৰুৱা আদি লোকেৰে সমৃদ্ধ ঐতিহ্যমণ্ডিত প্ৰাচীন দিচাং নৈৰ পাৰত অৱস্থিত শস্য-মৎস্যৰে ভৰপূৰ এটা সমৃদ্ধিশালী অঞ্চল, ৰহণ পথাৰৰ সচেতন ৰাইজে ৰহদৈ ৰমণীৰ স্মৃতি ৰক্ষাৰ কাৰণে নিশ্চয় কিবা উদ্যোগ লোৱা উচিত।

**ধীৰেন বৰুৱা,**
সোণাপুৰ গাঁও, ডাক ঃ দুলীয়াজান-৭৮৬৬০১,
ডিব্ৰুগড়, ফোন ঃ ৮৪৭২৮৫৭৫০১

## ইংৰাজী মাধ্যমৰ শিক্ষাৰ্থী

উৎপল বৰকাকতিৰ 'ইংৰাজী মাধ্যমৰ শিক্ষাৰ্থী' (১-১৫ ছেপ্টেম্বৰ ২০২০ সংখ্যা) শীৰ্ষক লেখাটোৰ সন্দৰ্ভত মোৰ নিজৰ অভিজ্ঞতা তথা সততে দেখা পোৱা এটি ঘটনা চমুকৈ বৰ্ণনা কৰিবলৈ প্ৰয়াস কৰিছোঁ। মই পঢ়ি থকা বিশ্ববিদ্যালয়ৰ একেটা হোষ্টেলৰ দুগৰাকী বান্ধৱীয়ে (অইন বিভাগৰ) সৰুৰে পৰা ইংৰাজী মাধ্যমত পঢ়া কাৰণে একেবাৰে অসমীয়া ভাষা পঢ়িব বা লিখিব নাজানে। মই তেওঁলোকৰ মাক-দেউতাকক লগ পাওঁতে কৈছিলোঁ যে এইটো বৰ ভাল কথা নহ'ল, পাছলৈ সিহঁতেই সমস্যাত পৰিব। কিন্তু মাক-দেউতাকৰ মুখত তিলমানো আপছোছৰ ভাব ফুটি নুঠিল। তাৰ পৰিৱৰ্তে যেন তেওঁলোকৰ মনত অহং ভাব এটাইহে থিতাপি লৈছিল। অভিভাৱকৰ মনতেই হওক নাইবা ছাত্ৰ-ছাত্ৰীৰ মনতেই হওক নিজৰ মাতৃভাষাৰ প্ৰতি এই অৱহেলা, অনিচ্ছা দেখি মই ব্যক্তিগতভাৱে হতাশ হওঁ। পিছে সেই বান্ধৱী দুগৰাকীৰে এগৰাকীয়ে কেইদিনমানৰ আগেয়ে অসমীয়া পঢ়িব, লিখিব নজনাৰ বাবে ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছিল। তাই ক্লাছৰ অন্তত ঘৰলৈ (তেজপুৰ) বুলি গাড়ীত উঠিছে। এইফালে ৰাতি হৈ আহিছে। তাৰ পাছত গাড়ীৰ পৰা তাইক নামিবলৈ দিলে, ইতিমধ্যে বহুতো যাত্ৰী গাড়ীৰ পৰা নামিল। তেনেতে তাই ক'লে—"ইয়াততো মই নানামো, মিছন চাৰিআলিতহে নামিম। কিন্তু আপোনালোকে বহুত আগত ৰখাই দিলে দেখোন।" তেতিয়া গাড়ীচালকে ক'লে—"আপুনি অসমীয়া আখৰখিনিও পঢ়িব নাজানে নেকি? ফলকখনত কি লিখা আছে দেখা নাই? ইয়াৰ আগলৈ গাড়ী নাযায় আৰু যিখিনি যাত্ৰী আছিল সকলো এইখিনিলৈকেহে আহিছিল। আমি মাত্ৰ এজন যাত্ৰী লৈ আৰু আগলৈ নাযাওঁ।" সেইদিনা তাই খুব দুখ পালে আৰু বুজিলে সেই ৰাতি তাই কেনেকুৱা পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'ল একমাত্ৰ অসমীয়া ভাষাটো পঢ়িব নজনাৰ বাবে। তাৰ পাছত যেতিয়া তাই হোষ্টেললৈ আহি মোক ঘটনাটো ক'লে মোৰ মনত হীৰেন ভট্টাচাৰ্যদেৱৰ এষাৰ কথাই বৰকৈ ক্ৰিয়া কৰিবলৈ ধৰিলে—"তুমি ইংৰাজী ভালেই লিখা বা বেয়াই লিখা তাত ইংৰাজী ভাষাটোৰ একো আহে-নাযায়। তুমি বা আন ইংৰাজী ভাষা লিখাসকলে জাবৰ লিখিলেও ইংৰাজী ভাষাৰ মৰ্যাদাৰ একো হীনডেঢ়ি নঘটে। কিন্তু আমি এটা কথা উপলব্ধি কৰা উচিত যে যিসকলে অসমীয়া ভাষাত অৰ্থাৎ আমাৰ মাতৃভাষাত লিখা-পঢ়া কৰে, তেওঁলোকে যদি ভুল অসমীয়া লিখে তেতিয়া কিন্তু অসমীয়া ভাষাৰ প্ৰচুৰ ক্ষতি হ'ব।"

তেতিয়াৰ পৰাই তাইক জোৰ কৰি মই আজৰি সময়ত লিখাব-পঢ়াবলৈ ধৰিলোঁ। এতিয়া তাই অন্ততঃ নিজৰ নাম, ঠাইখিনি অসমীয়াত লিখিব, পঢ়িব পাৰিব। আৰু মোৰ বিশ্বাস বা মই এইটো কৰিমেই, এম এ ডিগ্ৰি লৈ ঘৰলৈ ঘূৰি অহাৰ আগতে তাইক অসমীয়া আখৰখিনিৰ লগত চিনাকি কৰাই দিম আৰু তাই ভালপোৱা কৰি দিবলৈ যত্ন কৰিম। মই জানো অকল মই অসমীয়া ভাষা, জাতি ধৰি ৰাখিব নোৱাৰোঁ কিন্তু কিঞ্চিৎমান হ'লেও মই অৰিহণা যোগাব পাৰিম। আৰু তেনেকৈ যদি সকলো অসমীয়াই সেইটো হৃদয়ংগম কৰি ভাষাটো চৰ্চা আৰু প্ৰসাৰ কৰে তেতিয়াহ'লে অসমীয়া ভাষাৰ ক্ষেত্ৰত দেখা দিয়া এই দুৰ্দিনসমূহৰ অন্ত পৰিব বুলি মই ভাবোঁ।

**জুৰিস্মিতা ৰয়,**
স্নাতকোত্তৰ তৃতীয় যান্মাসিক,
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়,
ফোন ঃ ৯৬৭৮৭১০৮৪৬,
ই-মেইল ঃ royjurismita@gmail.com

## ডাকযোগে হোৱা প্ৰান্তিকৰ গ্ৰাহকসকলৰ প্ৰতি নিবেদন

ডাকযোগে হোৱা প্ৰান্তিকৰ গ্ৰাহকসকলক আমি দুখেৰে জনাব খোজোঁ যে আমি সময়মতে প্ৰান্তিকৰ কপি ডাকযোগে পঠিয়াই থকাৰ পাছতো কিছু গ্ৰাহকে প্ৰান্তিকখন নিয়মীয়াকৈ নাপায় বা একেবাৰে নোপোৱাকৈ থাকে। কিছুমান ঠাইত ক'ভিডৰ কাৰণতে হওক বা অন্য কাৰণতে হওক ডাকোৱালজনে ঘৰলৈ কপিটো দিবলৈ নাযাবও পাৰে। সেয়েহে ডাকঘৰলৈ নিজে গৈ কপিটোৰ খবৰ কৰাৰ লগতে ২/৩টা কপি নোপোৱাকৈ থাকিলেই ততালিকে আমাক জনাবলৈ অনুৰোধ জনালোঁ। যাতে আমি প্ৰান্তিকৰ কপি পুনৰাই পঠিয়াই দিয়া বা একেবাৰে কপি নোপোৱাৰ ক্ষেত্ৰত বৰঙণি ওভতাই দিয়া আদি ব্যৱস্থা খৰতকীয়াকৈ ল'ব পাৰোঁ। ভালেমান ক্ষেত্ৰত আমি ভাৰতীয় ডাকসেৱা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল, তেনে ক্ষেত্ৰত আমাৰ সুহৃদ গ্ৰাহকসকলে আমাৰ অসহায় অৱস্থাটো অনুভৱ কৰে যেন।

**প্ৰসন্ন শৰ্মা,**
ব্যৱস্থাপক, প্ৰান্তিক